**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

-------------------------

আজি আৰম্ভ হোৱা সংসদৰ শীতকালীন অধিৱেশন ফলপ্ৰসূ হোৱাৰ লগতে অধিৱেশনকালত গঠনমূলক বিতৰ্ক আৰু আলোচনাৰ পৰিৱেশ অটুত থাকিব বুলি বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰিছে। অধিৱেশন আৰম্ভ হোৱাৰ আগতে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী মোদীয়ে কয় যে সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰৰ আৰম্ভণিৰ লগতে এইবাৰৰ শীতকালীন অধিৱেশন কেইবাটাও কাৰণত বিশেষ হৈ ৰ'ব। তেওঁ কয়, যে এয়া গণতন্ত্ৰত এটা গৌৰৱময় মাইলৰ খুটি। বিৰোধী পক্ষক কটাক্ষ কৰি প্ৰধানমন্ত্ৰী গৰাকীয়ে কয়, যে ৰাইজে নাকচ কৰা এমুঠিমান মানুহে বিশৃংখলতাৰ সৃষ্টি কৰি সংসদক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰি আহিছে। সংসদৰ অধিৱেশনৰ সময়খিনি বিশ্বত ভাৰতৰ খ্যাতি তথা ঐতিহ্য আৰু অধিক বৃদ্ধি কৰাৰ বাবে ব্যৱহাৰ কৰাটো উচিত বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়। দেশখনে পোৱা এনে সুযোগ বিশ্বৰ মঞ্চত ভাৰতৰ বাবে বিৰল আৰু আমি ইয়াৰ যথোচিত মূল্য দিব লাগে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতৰ সংসদৰ মজিয়াৰ পৰা দেশখনৰ ভোটদাতাসকল, তেওঁলোকৰ গণতন্ত্ৰৰ প্ৰতি দায়বদ্ধতা, সংবিধানৰ প্ৰতি উৎসৰ্গা আৰু সংসদৰ কাম-কাজৰ প্ৰতি থকা বিশ্বাসৰ বাৰ্তা সমগ্ৰ দেশলৈ সংসদৰ সদস্যসকলে বিয়পোৱা উচিত।

0000000

এজন ভাৰতীয় উদ্যোগপতি আৰু তেওঁৰ সংস্থাৰ বিৰুদ্ধে উৎকোচৰ অভিযোগ, মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি আৰু ৱাক্‌ফ সংশোধনী বিধেয়কক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজি আৰম্ভ হোৱা সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোত উভয় সদনৰে কাম-কাজ স্থগিত ৰাখিবলগীয়া হয়। ৰাজ্যসভাত আজি সদনৰ পূৰ্বৱৰ্তী অধিৱেশনৰ পাছৰ সময়ছোৱাত মৃত্যু হোৱা ছগৰাকী প্ৰাক্তন সাংসদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ পাছতেই বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই এগৰাকী উদ্যোগপতিৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগৰ বিষয়টো উত্থাপনৰ চেষ্টা কৰে। কংগ্ৰেছ, ডি এম কে, আৰ জে ডি, সমাজবাদী পাৰ্টী, আম আদমী পাৰ্টী আৰু বাওঁপন্থী দলৰ সদস্যসকলেও তেওঁৰ সমৰ্থনত ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু বিশেষ উদ্যোগপতি গৰাকী সন্দৰ্ভত সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুমতি দিয়াৰ দাবী জনায়। সভাপতি জগদীপ ধনখড়ে উত্তেজিত সদস্যসকলক ক্ষান্ত কৰিবলৈ বাৰম্বাৰ অনুৰোধৰ প্ৰতি বিৰোধী সদস্যসকলে কৰ্ণপাত নকৰাত সভাপতিয়ে সদনৰ কাম-কাজ স্থগিত ৰাখে। ইয়াৰ পাছত দিনৰ ১১ বাজি ৪৫ মিনিটত সদন পুনৰ মিলিত হোৱাৰ সময়তো বিৰোধী পক্ষৰ সদস্যসকল তেওঁলোকৰ দাবীত অটল থকাত সভাপতিয়ে দিনটোৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

লোকসভাতো আজি নিম্ন সদনৰ দুগৰাকী বৰ্তমানৰ সদস্য বসন্ত ৰাও চবন আৰু শ্বেখ নুৰুল ইছলামৰ বিয়োগত শ্ৰদ্ধা নিবেদনৰ পাছতে বিৰোধী সদস্যসকলে প্ৰায় একেকেইটা বিষয় লৈ সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবী জনোৱাত সদনত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। অধ্যক্ষ ওম বিৰলাই প্ৰথমে সদনৰ কাম-কাজ ১২ বজালৈ আৰু পাছত দিনটোৰ বাবে স্থগিত ৰাখে।

00000000

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা বছৰৰ ৫ৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন শীৰ্ষ সন্মিলন অৰ্থাৎ ৱেভছৰ প্ৰস্তাৱনা কাৰ্যসূচীৰ অংশ হিচাপে আজি ভাৰত চৰকাৰৰ প্ৰেছ ইনফৰমেচন ব্যুৰ' গুৱাহাটী মাণ্ডলিক কাৰ্যালয়ৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ত এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক গণমাধ্যম, মনোৰঞ্জন আৰু বিষয়বস্তু সৃষ্টিৰ গতিশীল জগতখনৰ সৈতে সংযুক্ত কৰোৱাৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত গণমাধ্যম শিক্ষাৰ সৈতে জড়িত ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞসকলৰ পৰা জ্ঞান আৰহণ কৰি নিজৰ সৃজনীশক্তিৰ বিকাশ সাধন সম্পৰ্কে পৰামৰ্শ দিয়া হয়। এই অনুষ্ঠানৰ জৰিয়তে শিক্ষাৰ্থীসকল আৰু উদ্যোগক্ষেত্ৰৰ বিশেষজ্ঞসকলৰ মাজত সংযোগ সাধনৰো প্ৰয়াস কৰা হৈছে। আজিৰ অনুষ্ঠানত প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ উত্তৰ-পূৱ মণ্ডলৰ সঞ্চালকপ্ৰধান কে সতীশ নম্বুদিৰিপাদ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত উপস্থিত থাকে।

উল্লেখযোগ্য যে অহা ফেব্ৰুৱাৰীত নতুন দিল্লীত হ'বলগীয়া ৱেভছৰ শীৰ্ষ সন্মিলনত বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ ঔদ্যোগিক নেতা, কণ্টেণ্ট ক্ৰিয়েটৰ আৰু মনোৰঞ্জন উদ্যোগৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰিব।

০০০০০০০

**সমাপ্ত**